# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত শ্ৰীভূমি জিলাৰ ৰামকৃষ্ণ নগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত হিতাধিকাৰীসকলক বীজ মূলধনৰ চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিজৰ বক্তব্যত কয়, যে তৃণমূল স্তৰৰ মহিলা উদ্যমীসকলৰ সৱলীকৰণ আৰু ৰাজ্যৰ বিকাশৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰে এই অভিনৱ উদ্যোগ গ্ৰহণ কৰিছে। তেওঁ লগতে কয়, যে এই পৰিকল্পনাৰ জৰিয়তে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ প্ৰায় ৩২ লাখতকৈও অধিক মহিলা উদ্যোগীয়ে আৰ্থিক সাহায্য লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে, এই মহিলাসকলে কৃষি, পশুপালন, হস্ততাঁত আৰু বস্ত্ৰশিল্প আদি বিভিন্ন ক্ষেত্ৰত উদ্যোগ স্থাপন কৰি গ্ৰামীণ অৰ্থনীতি শক্তিশালী কৰি তুলিব। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ৰামকৃষ্ণ নগৰ বিধানসভা সমষ্টিৰ মুঠ ১৮ হাজাৰ ৭৪৫ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হয়। অনুষ্ঠানৰ অন্তত মুখ্যমন্ত্ৰী ড০ শৰ্মাই জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া সম্পৰ্কে সংবাদ মাধ্যমক সম্বোধন কৰি যে, এই বিষয়টোত কোনো ধৰণৰ ৰাজনীতি কৰা উচিত নহয়। বিৰোধী দল বাব আন কোনো সংগঠনৰে জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত প্ৰতিবাদ কৰিলে চৰকাৰে প্ৰতিবাদকাৰীৰ দাবী বিবেচনা কৰিব বুলিও ড০ শৰ্মাই স্পষ্ট কৰি দিয়ে।

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা এছ আই টিৰ মুৰববী তথা অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তা আৰু তৰুণ গোৱেল কালি গুৱাহাটীলৈ উভতি আহে। ছিংগাপুৰ ভ্ৰমণ তথা এছ আই টিৰ তদন্তৰ অগ্ৰগতি সন্দৰ্ভত আজি এখন সংবাদ মেল সম্বোধন কৰি মুন্না প্ৰসাদ গুপ্তাই কয়, যে তেওঁলোকে ২০ অক্টোবৰত ছিংগাপুৰত থকা উচ্চ আয়ুক্তৰ সৈতে বৈঠকত মিলিত হৈছিল। ২১ অক্টোবৰত ছিংগাপুৰ আৰক্ষীৰ পাঁচজনীয়া এটা দলৰ সৈতে বৈঠকত মিলিত হৈ তদন্তৰ তথ্য বিনিময় কৰা বুলিও এছ আই টিৰ মুৰববীগৰাকীয়ে প্ৰকাশ কৰে। ছিংগাপুৰ আৰক্ষীয়ে আইনী প্ৰক্ৰিয়াৰ জৰিয়তে এছ আই টি তদন্তৰ তথ্যসমূহ প্ৰদান কৰাৰ আশ্বাস দিয়ে বুলিও তেওঁ কয়। এছ আই টিৰ দলটোৱে ছিংগাপুৰৰ ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে জুবিন গাৰ্গ থকা হোটেলৰ চিচি টিভি ফুটেজ দিবলৈ ছিংগাপুৰ আৰক্ষীক অনুৰোধ জনায়। প্ৰয়োজনত ঘটনাৰ দিনা য়টত থকা প্ৰবাসী অসমীয়াসকলক পুনৰ তলব কৰা হ'ব বুলিও মুন্না প্ৰসাদ গুপ্তাই জনায়। একেখন সংবাদমেলতে অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে মৃত্যুৰ আগৰ পাঁচ-ছয় দিনত জুবিন গাৰ্গে বাৰ্তা প্ৰেৰণ কৰা কোনো লোকৰ হাতত কিবা তথ্য থাকিলে এছ আই টিক জনাবলৈ আহ্বান জনায়।

(বাইট ঃ মুন্না)

মুন্না প্ৰসাদ গুপ্তাই জনোৱা অনুসৰি জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ আই টিয়ে এই পৰ্যন্ত প্ৰায় ৭০ জন লোকৰ ভাষ্য গ্ৰহণ কৰিছে। আজি চি আই ডি কাৰ্যালয়লৈ প্ৰথমবাৰৰ বাবে গৈ গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী পামী

বৰঠাকুৰে ভাষ্য প্ৰদান কৰে। আজিৰ দিনটোতে জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ দুই ব্যৱসায়ী অংশীদাৰকো এছ্ আই টিয়ে সোধাপোছা কৰে।

আনহাতে জুবিন গাৰ্গৰ দুই দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বৰুদ্ধে মুখ্যমন্ত্ৰীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰণ বিভাগে দুটাকৈ পৃথক পৃথক গোচৰ ৰুজু কৰিছে। এই গোচৰৰ ভিত্তিত নন্দেশ্বৰ বৰাৰ  নগাঁৱৰ ননৈ আৰু পৰেশ বৈশ্যৰ হাজোৰ বাসগৃহত পৃথকে পৃথকে মুখ্যমন্ত্ৰী তদাৰকী কোষে অভিযান চলায়।

00000

তামুলপুৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত আজি এখন দুৰ্যোগ ব্যৱস্থাপনা সম্পৰ্কীয় সভা অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ সহযোগত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে জিলাখনৰ সকলো স্কুল কৰ্তৃপক্ষক সামৰি বিদ্যালয়ৰ সুৰক্ষা আৰু দুৰ্যোগৰ প্ৰস্তুতি শক্তিশালী কৰাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰে। বিশেষকৈ ভূমিকম্প আৰু অগ্নিকাণ্ডৰ সময়ত লবলগীয়া সাৱধানতা সন্দৰ্ভত অনুশীলন কৰা হ'ব। অহা ২৯ অক্টোবৰত পুৰা জিলাখনৰ ৪১ খন স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত ভূমিকম্প আৰু অগ্নিনিৰ্বাপন সন্দৰ্ভত অনুশীলন অৰ্থাৎ মকড্ৰিল অনুষ্ঠিত হ'ব। এই অনুশীলনে ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি ৰাইজক দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত বিশেষকৈ সহায় কৰিব বুলি আশা কৰা হৈছে।

00000

হেঙেৰাবাৰী হাউচিং কলনি নিৱাসী জ্যেষ্ঠ সাংবাদিক তথা ইউ এন আইৰ প্ৰাক্তন ব্যুৰো ছীফ বৈকুণ্ঠনাথ গোস্বামীৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮১ বছৰ।

00000

সমাপ্ত